News Release Strict Embargo : Wed, Feb. 13, 2008, 5PM EST (Toronto) (Thur, Feb 14, 3:30 AM IST (New Delhi)

# ভাৰতবৰ্ষ দুৰ্ভাগ্যজনকভাৱে ধূমপান মহামাৰীৰ কবলত— বিশেষজ্ঞসকলে পূৰ্বানুমান কৰিছে যে ২০১০ চনলৈ প্ৰতিবছৰে ১০,০০,০০০ জন লোকৰ ধঁপাতজনিত দ্ৰব্য সেৱনৰ বাবে মৃত্যু হ'ব।

**নতুন গৱেষকসকলে দেখুৱাইছে যে বছৰি ৯,০০,০০০ জন লোকৰ মৃত্যু ধঁপাতজনিত দ্ৰব্য সেৱনৰ কাৰণে হ'ব আৰু ই ক্ৰমান্বয়ে বাঢ়ি ২০১০ চনলৈ প্ৰত্যেক পাঁচজন প্ৰাপ্তবয়স্ক পুৰুষৰ ভিতৰত এজনৰ এই দ্ৰব্য সেৱনৰ কাৰণে মৃত্যু হ'ব।**

ভাৰতবৰ্ষ ধঁপাতজনিত দ্ৰব্য সেৱনৰ প্ৰভাৱত পৰি এক ভয়াৱহ মহামাৰীৰ সন্মুখীন হৈছে, য'ত প্ৰতিবছৰে ১০,০০,০০০ জন মানুহৰ মৃত্যু হোৱাৰ সম্ভাৱনাই দেখা দিছে— প্ৰত্যেক পাঁচজন প্ৰাপ্তবয়স্ক পুৰুষৰ মাজত এজনৰ আৰু প্ৰত্যেক বিশ গৰাকী প্ৰাপ্তবয়স্কা মহিলাৰ ভিতৰত এগৰাকীৰ ধঁপাতজনিত দ্ৰব্য সেৱনৰ বাবে ২০১০ চনৰ পূৰ্বে মৃত্যু হোৱাৰ সম্ভাৱনাই দেখা দিছে। গৱেষকসকলে জনাইছে যে ধঁপাত সেৱন নকৰাসকলৰ তুলনাত প্ৰত্যেক পুৰুষ ধঁপাত সেৱনকাৰীসকলে ৬ বছৰ গড় আয়ুস আৰু মহিলা ধঁপাত সেৱনকাৰীসকলে ৮ বছৰ গড় আয়ুস হেৰুৱায়।

ওপৰোক্ত তথ্যখিনি ভাৰতবৰ্ষৰ সৰ্ববৃহৎ মৃত্যুৰ কাৰকৰ বিষয়ে কৰা গৱেষণাৰ দ্বাৰা আজি (১৩ ফেব্ৰুৱাৰী, ২০০৮ তাৰিখে) The New England Journal of Medicineত প্ৰকাশিত (গৱেষকমণ্ডলী ভাৰতবৰ্ষ, কানাডা আৰু সংযুক্ত গণৰাজ্যৰ)।

২০০১-২০০৩ চনৰ ভিতৰত ৯০০ কৰ্মীৰ যোগেদি ১১,০০,০০০ আবাসগৃহত ভাৰতবৰ্ষ জুৰি এক সমীক্ষা চলোৱা হয়। এই সমীক্ষাত ৭৪,০০০ জন ধঁপাত সেৱনকাৰীৰ লগত ৭৮,০০০ জন ধঁপাত সেৱন নকৰা লোকৰ তুলনামূলক অধ্যয়ন কৰা হয়।

৩০-৬৯ বছৰ বয়সৰ পুৰুষৰ মাজত দেখা পোৱা ধঁপাতৰ পাৰ্শ্বক্ৰিয়াসমূহ হ'ল ঃ-

- ৩৮ শতাংশ লোকৰ যক্ষ্মা ৰোগত মৃত্যু
- ৩১ শতাংশ লোকৰ শ্বাস-প্ৰশ্বাসজনিত ৰোগত মৃত্যু
- ২০ শতাংশ লোকৰ ৰক্তবাহী নলিকাৰ ৰোগত মৃত্যু
- ৩২ শতাংশ লোকৰ কৰ্কট ৰোগত মৃত্যু

Centre for Global Health Research, St. Michael's Hospital, University of Toronto, Canadaৰ প্ৰধান লেখক অধ্যাপক প্ৰভাত ঝাই জনায় যে ইউৰোপ বা আমেৰিকাৰ দেশসমূহতকৈ ভাৰতবৰ্ষৰ লোকসকলে ধূমপান পলম বয়সত আৰম্ভ আৰু কমকৈ কৰে যদিও, তেওঁলোকৰ পাৰ্শ্বক্ৰিয়াৰ প্ৰৱণতা অতিমাত্ৰা হয়। আমাৰ অধ্যয়নত যক্ষ্মা ৰোগ হোৱাৰ আশংকা হাওঁফাওঁৰ কৰ্কট ৰোগ হোৱাৰ আশংকাতকৈ দহগুণ অধিক পোৱা গ'ল।

অধ্যয়নত দেখা যায় যে মধ্যবয়সত দুই-তৃতীয়াংশ পুৰুষ ধঁপাত সেৱনকাৰীৰ আৰু অৰ্দ্ধেক মহিলা ধঁপাত সেৱনকাৰীৰ ধুম্ৰপান নকৰাসকলতকৈ তুলনামূলকভাৱে মৃত্যুৰ আশংকা অধিক। ৩০-৬৯ বছৰ বয়সৰ পুৰুষসকলৰ ভিতৰত ৫৫ শতাংশ ধঁপাত সেৱনকাৰীৰ মৃত্যু হয়; অথচ ধঁপাত সেৱন নকৰাসকলৰ ভিতৰত ৩৭ শতাংশৰহে এই বয়সত মৃত্যু হয় : তুলনামূলকভাৱে ধঁপাত সেৱন নকৰা ৪১ শতাংশ লোকৰ মৃত্যুৰ বিপৰীতে ৬১ শতাংশ ধঁপাত সেৱনকাৰীৰ ৬৯ বছৰ বয়সৰ পূৰ্বে মৃত্যু হয়। মহিলা ধঁপাত সেৱনকাৰীসকলৰ ভিতৰত ৯ শতাংশৰ মৃত্যুৰ বিপৰীতে ধঁপাত সেৱন নকৰা মহিলাসকলৰ ৪.৫ শতাংশৰহে মৃত্যু হয় : ৬২ শতাংশ ধঁপাত সেৱনকাৰীসকলৰ মৃত্যুৰ আশংকাৰ বিপৰীতে কেৱল ৩৮ শতাংশ ধঁপাত সেৱন নকৰাসকলৰহে মৃত্যুৰ আশংকা থাকে।

"এই গৱেষণাৰ যোগেদি বৈজ্ঞানিকভাৱে এইটো প্ৰমাণিত হয় যে যদিহে আমি সময়োপযোগী ব্যৱস্থা নলওঁ, তেন্তে ভাৰতবৰ্ষই অজানিতে এক ভয়াৱহ দুৰ্যোগৰ সন্মুখীন হ'বলৈ গৈ আছে।" (ভাৰতবৰ্ষৰ কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী